# COLLEGE WEEK 2025-26 **HELD ON 04-02-2026-07-02-2026**














# গীতানগৰ মহাবিদ্যালয়ৰ বাৰ্ষিক বঁটা বিতৰণী সভা সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, খবৰ, ৭ ফেব্ৰুৱাৰী ঃ** আজি গীতানগৰ মহাবিদ্যালয় (পূৰ্বৰ কন্যা) ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ মুকলি সভা তথা বঁটা বিতৰণী সভাখন অনুষ্ঠিত হয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি ড° হোমেশ্বৰ কলিতাই সভাপতিত্ব কৰা সভাত সোণাপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° বেদব্ৰত খাটনিয়াৰ, কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° শিখামণি কোঁৱৰ, বেলতলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অজিত বৰ কটকী, শিক্ষাবিদ উদয়াদিত্য গোস্বামী, ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰেন্দ্ৰ কলিতা, স্থানীয় পাৰিষদ স্বপ্না দেৱী শৰ্মাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সোণালী জয়ন্তীৰ প্ৰাক মুহূৰ্তত মহাবিদ্যালয় সপ্তাহখনত এইবাৰ অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰিলেও ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক, সাহিত্যিক, সাংস্কৃতিক দিশটিৰ উত্তৰণ ঘটাৰ ক্ষেত্ৰত সম্পূৰ্ণ গুৰুত্বাৰোপ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যজিৎ কলিতাই আদৰণি ভাষণেৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা অনুষ্ঠানটিত উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সম্পাদক ঋষভ বৰুৱাই। আজিৰ সভাতেই তিনিগৰাকীকৈ বিশিষ্ট শিক্ষাবিদ, সোণাপুৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বেলতলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, শিক্ষাবিদ উদয়াদিত্য ভৰালী, গীতানগৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা অসম কলেজ শিক্ষক সংস্থাৰ নৱনিযুক্ত মহিলা কোষৰ সম্পাদক বিনীতা গগৈ, স্থানীয় পাৰিষদ স্বপ্না দেৱী শৰ্মা, অসমীয়া বিভাগৰ নৱনিযুক্ত শিক্ষক ড° বনশ্ৰী নাথকো সম্বৰ্ধনা জনোৱা হয়। ড° নৱকান্ত শৰ্মাই আঁত ধৰা অনুষ্ঠানটিৰ সাংস্কৃতিক সন্ধিয়াত উপস্থিত থাকে বিশিষ্ট কণ্ঠশিল্পী বুবুমণি ডেকা আৰু নিয়ৰ কাশ্যপ।